# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-03-2024
**Time :** 1715 Hrs.

## *ASSAMESE REGIONAL BULLETIN*

**::::::::::::::::::::::::::::::::::**

## Headlines

প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত আজি কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে।

কেন্দ্ৰীয় মন্ত্ৰী আৰু বিজেপি নেতা সৰ্বানন্দ সোনোৱালে আজি ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী হিচাপে জিলাখনৰ আয়ুক্ত কাৰ্যালয়ত মনোনয়ন দাখিল কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্যৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, মন্ত্ৰী তথা অসম গণ পৰিষদৰ সভাপতি অতুল বৰা, মন্ত্ৰী তথা অসম গণ পৰিষদৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ উপৰি ভালেসংখ্যক দলীয় নেতা কৰ্মী মনোনয়ন দাখিলৰ সময়ত উপস্থিত থাকে। ইপিনে লখিমপুৰ লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী প্ৰদান বৰুৱাই আজি লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰদান বৰুৱাই মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী অশোক সিংঘল, ডাঃ ৰণোজ পেগুকে ধৰি বিজেপি আৰু অসম গণ পৰিষদৰ কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকে।

ইয়াৰ বিপৰীতে যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈয়েও দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰা আৰু ৰকিবুল হুছেইন, ৰেকিবউদ্দিন আহমেদ আৰু তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱাৰ উপস্থিতিত মনোনয়ন পত্ৰ দাখিল কৰে।

ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত প্ৰাৰ্থী, অসম জাতীয় পৰিষদৰ মুৰববী লুৰিণজ্যোতি গগৈয়ে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত সমৰ্থক সকলৰ সৈতে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত সাংসদ অজিত কুমাৰ ভূঞাও উপস্থিত আছিল।

তদুপৰি, কাইলৈ যোৰহাটত তপন কুমাৰ গগৈ, কাজিৰঙাত কামাখ্যা প্ৰসাদ তাছা আৰু তেজপুৰত ৰঞ্জিত দত্তই সংশ্লিষ্ট জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ নিজৰ নিজৰ মনোনয়নপত্ৰ দাখিল কৰিব। কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ কেইবাগৰাকী প্ৰাৰ্থীয়েও কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। ইয়াৰ ভিতৰত লখিমপুৰৰ কংগ্ৰেছ প্ৰাৰ্থী উদয় শংকৰ হাজৰিকাও আছে।

উল্লেখযোগ্য যে এই পৰ্যায়ৰ বাবে মনোনয়নপত্ৰ দাখিলৰ কাইলৈ অন্তিম দিন আৰু পৰহিলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ৩০ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

ooooo

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি অৰুণাচল পশ্চিম সংসদীয় সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। তেওঁ পশ্চিম চিয়াং জিলাৰ পশ্চিম অৰুণাচল সমষ্টিৰ ৰিটাৰ্ণিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল

কৰিছে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা পেমা খাণ্ডু মনোনয়ন দাখিলৰ সময়ত উপস্থিত থাকে। আনহাতে সমষ্টিটোৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰাক্তন মুখ্যমন্ত্ৰী নাবাম টুকীয়েও আজি মনোনয়ন পত্ৰ দাখিল কৰিছে। অৰুণাচল প্ৰদেশৰ দুখন লোকসভা আসনৰ বাবে প্ৰথম পৰ্যায়ত ১৯ এপ্ৰিলত নিৰ্বাচন হ'ব।

ইপিনে নাগালেণ্ডত পিপুলছ ডেমক্ৰেটিক এলায়েন্স চমুকৈ পি ডি এৰ সমৰ্থিত প্ৰাৰ্থী ড০ চুম্বেন মুৰীয়ে আজি ৰাজ্যখনৰ একমাত্ৰ লোকসভা আসন খনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছ দলৰ এছ ছুপোংমাৰেন জমিৰেও আজি মনোনয়ন পত্ৰ দাখিল কৰে। এতিয়ালৈকে নাগালেণ্ডৰ এই সমষ্টিটোৰ বাবে তিনিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

ooooo

আসন্ন লোকসভা নিৰ্বাচনত ভোটদাতাসকলক নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত সজাগ কৰাৰ বাবে বিভিন্ন জিলাত প্ৰশাসনে ছুইপ কাৰ্যসূচীৰ অধীনত ভালেমান পদক্ষেপ লৈছে। তদুপৰি নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈও কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কোকৰাঝাৰ জিলাত প্ৰশাসনে আজি সজাগতা কাৰ্যসূচীৰ অংশ হিচাপে এটা আল্পনা প্ৰতিযোগিতাৰ আয়োজন কৰে। এই কাৰ্যসূচীত শতাধিক মহিলাই অংশ লয়।

ধুবুৰী লোকসভা সমষ্টিৰ বাবে অহা ৭ মে'ত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দক্ষিণ শালমৰা জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। আজি জিলাখনৰ ৩৪৭ টা ভোট গ্ৰহণ কেন্দ্ৰৰ বাবে মুঠ ৪১৬ গৰাকী প্ৰিজাইডিং বিষয়াক প্ৰশিক্ষণ দিয়া হয়। কাইলৈৰ পৰা তিনিদিনীয়াকৈ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পলিং বিষয়াক প্ৰশিক্ষণ দিয়া হ'ব বুলি জিলা নিৰ্বাচনী বিষয়াই প্ৰকাশ কৰিছে। তদুপৰি জিলাখনত ভোটগ্ৰহণ নিকা আৰু শান্তিপূৰ্ণভাৱে আয়োজন কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ অন্তৰ্গত দৰং নিৰ্বাচনী জিলাৰ নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি তুলিবলৈ জিলাখনৰ আৰক্ষীয়ে প্ৰস্তুতি আৰম্ভ কৰিছে। জিলাখনত ৮৩৫টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত স্পৰ্শকাতৰ কেন্দ্ৰ হিচাপে চিনাক্ত হোৱা ১৬৯ কেন্দ্ৰৰ নিৰাপত্তাৰ বাবে আৰক্ষী সষ্টম হৈ পৰিছে।

ooooo

পাঁচ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বটদ্ৰৱা থানত পালন কৰা শ্ৰী কৃষ্ণৰ দৌল উৎসৱৰ তৃতীয় দিনাৰ কাৰ্যসূচী অনুসৰি আজি গোসাঁই ফুৰোৱা উৎসৱ পালন কৰা হয়। খোল প্ৰসংগ, গায়ন-বায়নেৰে অগণন ভক্তই বিশাল শোভাযাত্ৰাৰে গোসাঁইক দৌল মন্দিৰলৈ নিয়ে। দৌল মন্দিৰত গোসাঁই সেৱা, প্ৰদক্ষিণ, ফাকু খেলৰ অন্তত বটদ্ৰৱাৰ শ্ৰী শ্ৰী নৰোৱা সত্ৰ আৰু শলগুৰি সত্ৰৰ অন্তৰ্গত গাঁওকেইখন প্ৰদক্ষিণ কৰাৰ পাছত কীৰ্তন ঘৰৰ সিংহ দুৱাৰেদি গোসাঁইক প্ৰৱেশ কৰাৰ অন্তত গোসাঁই ফুৰোৱা উৎসৱৰ সামৰণি পৰে।

ইপিনে বৰপেটাত তিনি দিনীয়াকৈ আয়োজন কৰা শ্ৰী কৃষ্ণৰ দৌল যাত্ৰাৰ আজি সামৰণি পৰিব। দিনজোৰা কাৰ্যসূচীৰে আজি ভক্তগণে বৰপেটা সত্ৰত ফাকুৱা খেলাৰ পাছত কলীয়া গোসাঁইক কনৰা সত্ৰৰ ঘুনুচা গৃহলৈ লৈ যায়। তাত গোসাঁইক হেকেটা খুওৱাৰ পৰম্পৰা পালন কৰাৰ পাছত পুনৰ বৰপেটা সত্ৰলৈ লৈ আনি তাত বাঁহ ভঙা পৰ্ব অনুষ্ঠিত কৰি গোসাঁইক মূলগৃহৰ চৌহদত ৭ পাক প্ৰদক্ষিণ কৰোৱা হয়। বৰপেটা সত্ৰত কলীয়া গোসাঁইৰ লগতে বাৰাদী সত্ৰৰ গোসাঁইকো প্ৰদক্ষিণ কৰোৱা হয়। বাৰাদী সত্ৰৰ গোসাঁইৰ বিবাদ পৰ্ব অনুষ্ঠিত হোৱাৰ পাছত

বৰপেটা সত্ৰৰ গোসাঁইক মূল গৃহত প্ৰৱেশ কৰোৱাৰ পূৰ্বে লক্ষ্মীদেৱীৰ ভক্তগণৰ মাজত প্ৰতিকী তৰ্কযুদ্ধ অনুষ্ঠিত হয়।

ooooo

ঃসমাপ্তঃ